# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 11-01-2026

**Time :** 1845 Hrs.

## *Assamese Evening Bulletin*

## HEADLINES

১। উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন। নতুন চৌহদে ন্যায় ব্যৱস্থাৰ বৰ্ধিত প্ৰয়োজনসমূহ পূৰণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।

২। চৰাইদেউ মহোৎসৱৰ আজি অন্তিম দিনা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন। দেশী-বিদেশী পৰ্যটকৰ সমাগমেৰে উখল-মাখল চৰাইদেউ।

৩। চিৰাং জিলাৰ বিজনীৰ বৰলাউ গাঁৱৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ আজি সামৰণি।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ ব্যাপক প্ৰস্তুতি। ভোগালী মেলাৰ আয়োজন।

*আৰু*

৫। বডোডৰাত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক জয়ৰ বাবে নিউজিলেণ্ডৰ ৩০১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তই আজি উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যৰ ন্যায়িক খণ্ডৰ উত্তৰণৰ ক্ষেত্ৰত এই আদালতখনে নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্য ন্যায়াধীশ সূৰ্যকান্তই আশাপ্ৰকাশ কৰে। আধাৰশিলা স্থাপনৰ অনুষ্ঠানত কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থাকে। অনুষ্ঠানত দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈয়ে ভাৰ্চুৱেল পদ্ধতিৰে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এই নতুন চৌহদে ন্যায় ব্যৱস্থাৰ বৰ্ধিত প্ৰয়োজনসমূহ পূৰণ কৰিব বুলি মন্তব্য কৰে। তেওঁ লগতে ন্যায়িক আন্তঃগাঁথনি উন্নয়নৰ দিশত এই নতুন চৌহদ নিৰ্মাই এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হ'ব বুলি উল্লেখ কৰে।

*বাইট ঃ মুখ্যমন্ত্ৰী*

উল্লেখযোগ্য যে, ৰাজ্যৰ অধিবক্তা সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই গণতান্ত্ৰিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে।

০০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত শুকুৰবাৰৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ আজি সামৰণি পৰিব। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত আয়োজিত এই মহোৎসৱ উপলক্ষে অঞ্চলটোত বহু দেশী-বিদেশী পৰ্যটকৰ সমাগম হৈছে। আজি অন্তিম দিনা আয়োজিত সাংস্কৃতিক শোভাযাত্ৰাত ৪ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাত আহোম সৈনিক আৰু আহোম দা-ডাঙৰীয়াক লগত লৈ প্ৰতীকি স্বৰ্গদেউৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ সংস্কৃতি প্ৰতিফলন ঘটে। ইয়াৰ পাছতে অনুষ্ঠিত মুকলি সভাত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মোহনৰ লগতে কেইবাগৰাকী বুৰঞ্জীবিদে অংশগ্ৰহণ কৰে। এই মহোৎসৱে চৰাইদেউৰ প্ৰতি দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰি তুলিছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই প্ৰকাশ কৰে।

*বাইট ঃ পবিত্ৰ মাৰ্ঘেৰিটা*

উল্লেখযোগ্য যে, চৰাইদেৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱক এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা - এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত কাইলৈ নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

এ.ডি.আৰ.ইত উত্তীৰ্ণ তৃতীয় বৰ্গৰ ৬ হাজাৰ ৩৪৭ গৰাকী প্ৰাৰ্থীক কালি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিযুক্তিপত্ৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে সদ্য নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক কোনো কাৰণতে দুনীতিৰ আশ্ৰয় নল'বলৈ আহ্বান জনায়। ড° শৰ্মাই কয় যে ফেব্ৰুৱাৰীৰ পৰা চাকৰিৰ বদলিৰ বাবে স্বাগত সতীৰ্থ পোৰ্টেল মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে ১০ ফেব্ৰুৱাৰীৰ আগতে সকলো নিযুক্তি সম্পন্ন হ'ব বুলিও ঘোষণা কৰে।

০০০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা পুৱাৰ ভাগত বিভিন্ন জাত-জনগোষ্ঠীৰ অংশগ্ৰহণেৰে বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বড়ো সাহিত্য সভাৰ উপ-সবাপতি গোপীনাথ বৰগয়াৰীয়ে এই শোভাযাত্ৰা মুকলি কৰে। বিয়লিৰ ভাগত সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে উদ্বোধন কৰে। শ্ৰীমহিলাৰীয়ে নিজৰ ভাষণত বড়ো সাহিত্যক বিশ্বমুখী কৰাৰ বাবে প্ৰচেষ্টা চলাবলৈ বি টি চি প্ৰশাসন বদ্ধপৰিকৰ বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে ১৯৮১ চনত ডিফুত আৰু ১৯৮২ চনত তিনিচুকীয়াত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰা সীতানাথ ব্ৰহ্মচৌধুৰীৰ নামত থেংফাখ্ৰী পথাৰত এটা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব বুলিও ঘোষণা কৰে। আজিৰ মুকলি সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অংশ লৈ মহাত্মা গান্ধী শীৰ্ষক পুঁথি এখন উন্মোচন কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ উন্নয়নৰ হকে গ্ৰহণ কৰা পদক্ষেপসমূহত আলোকপাত কৰে। বড়ো সাহিত্য সভাই ছটা দশক অতিক্ৰম কৰি এই পৰ্যায়ত উপনীত হোৱাটো আশাব্যঞ্জক কথা বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, প্ৰাক্তন সাংসদ ছানচুমা খুংগুৰ বিছমুতিৰায়ী, প্ৰাক্তন মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, বৰ্তমানৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী আৰু জয়ন্ত বসুমতাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ লয়। আজি মুকলি মঞ্চত চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু প্ৰতিবেশী ৰাজ্য ত্ৰিপুৰাৰ সাংস্কৃতিক দলৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকনৃত্যই দৰ্শকক আপ্লুত কৰে। এই অধিবেশন সন্দৰ্ভত এয়া আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জমোহন ৰায়-

ভইচ কাষ্ট

০০০০০০০

মাঘ বিহুৰ উৰুকালৈ মাজত মাথোঁ এটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুৰ বাবে ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া মেজি আৰু ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলা অনুষ্ঠিত হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে।

যোৰহাট জিলাৰ মৰিয়নী চহৰত ৫৩টা আত্মসহায়ক গোটে নিজে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীৰে ভোগালী মেলা অনুষ্ঠিত কৰিছে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ সৈতে এই ভোগালী মেলা পৰিদৰ্শন কৰাৰ লগতে আত্ম-সহায়ক গোটৰ সদস্যাসকলৰ সৈতে মত-বিনিময় কৰে।

চৰাইদেউ জিলাৰ সোণাৰীত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান চৰাইদেউ জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত এই ভোগালী মেলাত ২৮ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে।

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়া সমষ্টিৰ নামৰূপ গাওঁ পঞ্চায়তৰ আত্মসহায়ক গোটসমূহৰ সহযোগত কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অসমী ভোগালী মেলাত চিৰা, পিঠা, দৈ, ক্ৰীম, লাডুকে ধৰি হস্তনিৰ্মিত সামগ্ৰীও প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

ভোগালী বিহুৰ প্ৰাকক্ষণত মাজুলীৰ টুনী নদীৰ পাৰত অনুষ্ঠিত অসমী ভোগালী মেলাৰ আজি সামৰণি পৰিব। ৰাজ্যৰ আন আন প্ৰান্ততো ভোগালী মেলা অনুষ্ঠিত হৈছে।

০০০০০০০

জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ অভিযোগনামা লাভ কৰাৰ লগে লগে গোচৰটো চালি-জাৰি চাব পৰা যাব বুলি ৰাজ্য চৰকাৰে এই গোচৰত লোক অধিবক্তাৰ দায়িত্ব অৰ্পণ কৰা জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰে প্ৰকাশ কৰিছে। আজি সাংবাদিকৰ আগত অধিবক্তাগৰাকীয়ে কয় যে গোচৰ সংক্ৰান্তত আদালতত আইনগত প্ৰত্যাহ্বান থাকিব যদিও অভিযোগনামাখন বিস্তৃতভাৱে পঢ়ি চোৱাৰ পাছত সকলো কথা স্পষ্টকৈ ধাৰণা কৰিব পৰা যাব। ১৭ জানুৱাৰীত গোচৰৰ পৰৱৰ্তী শুনানিৰ বিষয়ে উল্লেখ কৰি অধিবক্তাগৰাকীয়ে কয় যে আদালতত এই গোচৰটোৰ শুনানিৰ পূৰ্বৰ প্ৰক্ৰিয়াসমূহ অধ্যয়ন কৰা হ'ব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ পৰিয়াল, সদৌ অসম উকিল সন্থাৰ উপৰি বিভিন্ন ব্যক্তি আৰু সংগঠনে এই গোচৰ চলোৱাৰ বাবে এটা জ্যেষ্ঠ অধিবক্তাৰ দলক দায়িত্ব অৰ্পণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছিল। এই মৰ্মে ৰাজ্য চৰকাৰে শেহতীয়া মন্ত্ৰীসভাৰ বৈঠকত এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰিছিল।

০০০০০০০

কোকৰাঝাৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন শান্তি সভা অনুষ্ঠিত হয়। মানসিকভাৱে বিকাৰগ্ৰস্ত এগৰাকী যুৱতীক আতিশয্য চলোৱাৰ অভিযোগক লৈ জিলাখনত সৃষ্টি হোৱা আইন শৃংখলাজনিত পৰিস্থিতি পৰ্যালোচনা কৰাৰ বাবে এই শান্তিসভাখন অনুষ্ঠিত হৈছে। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আৰক্ষী অধীক্ষক অক্ষত গাৰ্গৰ লগতে ৰাজহ চক্ৰ বিষয়া, জিলা প্ৰশাসনৰ বিষয়া, ৰাজনৈতিক দল  আৰু সামাজিক সংস্থাৰ প্ৰতিনিধি উপস্থিত থাকে। জিলাখনত শান্তি শৃংখলা অটুত ৰখাৰ ক্ষেত্ৰত জিলা প্ৰশাসনে সূক্ষ্মভাৱে কাম কৰি আছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। আতিশয্যৰ ঘটনাৰ তদন্তৰ বাবে উপ আৰক্ষী অধীক্ষকৰ নেতৃত্বত বিশেষ অনুসন্ধানকাৰী গোট গঠন কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে অঞ্চলটোৰ স্পৰ্শকাতৰ স্থানসমূহ চিনাক্ত কৰি শীঘ্ৰেই চি চি টিভি কেমেৰা লগোৱাৰ লগতে ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব। জিলাবাসীক উৰা বাতৰিৰ পৰা সাৱধানে থাকিবলৈও তেওঁ পৰামৰ্শ আগবঢ়ায়।

০০০০০০০

দৰং জিলাৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ কাম-কাজ নিয়াৰিকৈ কৰি থকা হৈছে বুলি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পূৰালী গোহাঁইয়ে জানিবলৈ দিয়ে। দেশৰ নিৰ্বাচন আয়োগে জাৰী কৰা সকলো নীতি নিৰ্দেশনা কঠোৰভাৱে পালন কৰা হৈছে বুলিও জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ জনোৱা মতে, জিলাখনৰ সকলো বিধানসভা সমষ্টিত বিশেষ সংশোধনৰ অধীনত ঘৰে ঘৰে পৰীক্ষণ সফলভাৱে সম্পূৰ্ণ হৈছে। পুনৰীক্ষণ প্ৰক্ৰিয়াৰ অংশ হিচাপে সকলো সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া আৰু সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়াই তেওঁলোকৰ অধীনস্থ ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰি তৃণমূল পৰ্যায়ত তীক্ষ্ণ নিৰীক্ষণ কৰিছে। ইয়াৰ লগতে ভোটাৰ তালিকাৰ শুদ্ধতা অধিক নিশ্চিত কৰিবলৈ নিৰ্বাচনী পঞ্জীয়ন বিষয়াই আকস্মিক পুনৰীক্ষণো কৰে।

০০০০০০০

অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত গুৱাহাটীৰ সৰু সজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত বাগুৰুম্বা নৃত্য পৰিবেশন কৰা হ'ব। বিহু আৰু ঝুমইৰ বিনন্দিনীৰ পাছত বড়োসকলৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত তুলি ধৰাৰ উদ্দেশ্যে প্ৰায় ১০ হাজাৰ শিল্পীয়ে নৃত্য পৰিবেশন কৰিব। এই অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহীসকলে নিজৰ এখন বৈধ পৰিচয়পত্ৰ জমা দি অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প, পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ অথবা আমবাৰীৰ ৰবীন্দ্ৰ ভৱনৰ সাংস্কৃতিক সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব। ইতিমধ্যে এই কাৰ্যসূচীত অংশ লোৱাৰ বাবে বিভিন্ন জিলাৰ পৰা শিল্পীসকল গুৱাহাটীলৈ আহিবলৈ সাজু হৈছে। কোকৰাঝাৰৰ জিলাৰ পৰা এহেজাৰ ৫১১গৰাকী শিল্পীয়ে এই

অনুষ্ঠানত অংশ ল'ব। দলটোত নেপালৰ ২৩গৰাকী আৰু পশ্চিম বংগৰ ৫১গৰাকী শিল্পী আছে। জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে আজি এই বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিবৰ বাবে গুৱাহাটীলৈ ৰাওনা হোৱা শিল্পীসকলক শুভেচ্ছা জনায়।

০০০০০০০

অসম চাহ কৰ্মচাৰী সংঘ, মৰাণ শাখাৰ উদ্যোগত আৰু ডিৰাই চাহ বাগিচা প্ৰাথমিক গোটৰ আতিথ্যত আয়োজিত ৬৩ সংখ্যক ত্ৰিবাৰ্ষিক ডিৰাই অধিৱেশনত আজি কেবিনেট মন্ত্ৰী বিমল বৰা বিশিষ্ট হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে আদিৱাসী চাহ জনগোষ্ঠী তথা আদিৱাসী সমাজৰ সংৰ্বাগীন উন্নয়নৰ বাবে বহুকেইটা গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। চাহ শ্ৰমিকৰ নূন্যতম মজুৰি বৃদ্ধি, চাহ বাগিচা অঞ্চলত স্বাস্থ্য সেৱা আৰু শিক্ষা ব্যৱস্থাৰ উন্নয়ন, বাসগৃহ নিৰ্মাণ, বিশুদ্ধ খোৱাপানীৰ যোগান আদি বিকাশমূলক আঁচনিৰে চাহ জনগোষ্ঠীৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আহিছে বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰকাশ কৰে। এই অধিৱেশনত অসম চাহ কৰ্মচাৰী সংঘৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তা উপস্থিত থাকে।

০০০০০০০

তামুলপুৰ জিলা সদৰৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত আজি জিলা বিজেপিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত ৰাজ্যিক বিজেপিৰ সভাপতি তথা দৰং-ওদালগুৰি সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ লগতে বিটিচিৰ নাগ্ৰীজুলি পৰিষদীয় সমষ্টিৰ পাৰিষদ লক্ষী দাস, বাগানপাৰাৰ পাৰিষদ ৰেখাৰাণী দাস বড়োকে ধৰি কেইবাগৰাকীও নেতা উপস্থিত থাকে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সভাপতি দিলীপ শইকীয়াই সমাগত বিধানসভা নিৰ্বাচনত জিলাখনৰ তৃণমূল পৰ্যায়ৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ কাম-কাজ শক্তিশালী কৰা সন্দৰ্ভত আজিৰ সভাত বিশদভাৱে আলোচনা কৰা হয় বুলি প্ৰকাশ কৰে। তেওঁ লগতে ২০২৬ত অসমত বিজেপিৰ তৃতীয়টো কাৰ্যকালৰ বাবে সংকল্প লোৱা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০০০

গুজৰাটৰ বডোডৰাত আজি অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত আলহী দল নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ৩০১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত হাৰি প্ৰথমে বেট ধৰা নিউজিলেণ্ডে নিৰ্ধাৰিত অভাৰত ৮টা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ডেৰিল মিছেলে ৮৪, হেনৰী নিকলছে ৬২ আৰু ডেভন কনৱেই ৫৬ ৰান কৰে। শেষৰফালে ক্ৰিষ্টিয়ান ক্লাৰ্কে ১৭টা বলত ২৪ ৰান কৰি অপৰাজিত হৈ ৰয়। ভাৰতৰ হৈ মহম্মদ ছিৰাজ, হৰ্ষিত ৰাণা আৰু প্ৰসিদ্ধ কৃষ্ণই দুটাকৈ উইকেট দখল কৰে।

এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ১৪ অভাৰত ৰোহিত শৰ্মাৰ উইকেট হেৰুৱাই ৮১ ৰান সংগ্ৰহ কৰি খেলি আছে।

০০০০০০০

**সমাপ্ত**